অধ্যায় ১২ : ব্যৱহাৰিক সাহিত্যৰ গদ্য আৰু পাঠ (হস্তীবিদ্যার্ণৱ পুথিৰ পৰা)

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ ব্যৱহাৰিক সাহিত্যৰ গদ্যৰ চমু পৰিচয়

১২.৩.১ হস্তীবিদ্যার্ণৱ পুথিখনৰ সাধাৰণ পৰিচয়

১২.৪ মূল পাঠ (হস্তিৰ জন্মকথা, দতাল হাতীৰ লক্ষণ)

১২.৪.১ গদ্যশৈলী

১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৬ অধিক জানিবলৈ

১২.৭ অগ্রগতিৰ খতিয়ান

১২.৮ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ব্যৱহাৰিক সাহিত্যৰ স্বৰূপ আৰু বৈশিষ্ট্য সম্বন্ধে জানিব পাৰিব।
- হস্তিবিদ্যার্ণৱ গ্ৰন্থখনৰ বিষয়বস্তু আৰু গুৰুত্ব বুজিব পাৰিব।
- মধ্যযুগীয় অসমত হাতী সম্পৰ্কীয় জ্ঞান আৰু ব্যৱহাৰৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব।
- অসমীয়া পুথিচিত্ৰৰ ঐতিহ্য আৰু শিল্প-সৌন্দৰ্য সম্বন্ধে জ্ঞান লাভ কৰিব পাৰিব।
- হস্তিবিদ্যার্ণৱৰ গদ্যশৈলী আৰু ভাষাগত বৈশিষ্ট্যসমূহ উপলব্ধি কৰিব পাৰিব।
- বিভিন্ন প্ৰজাতিৰ হাতীৰ লক্ষণ আৰু সেইবোৰৰ তাৎপৰ্য সম্বন্ধে জানিব পাৰিব।

১২.২ পৰিচয়

পূৰ্বৰ অধ্যায়ত আমি *ত্ৰিপুৰা বুৰঞ্জী*ৰ জৰিয়তে আহোম আৰু ত্ৰিপুৰা ৰাজ্যৰ মাজত গঢ় লৈ উঠা কূটনৈতিক আৰু সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰ বিষয়ে অধ্যয়ন কৰিছিলোঁ। সেই পাঠত মহাৰাজ ৰুদ্ৰসিংহৰ ৰাজনৈতিক বিচক্ষণতা, কটকীসকলৰ ভূমিকা আৰু ত্ৰিপুৰা ৰাজ্যৰ ইতিহাস, সমাজ, সংস্কৃতি তথা ৰাজদৰবাৰৰ বিভিন্ন দিশৰ বিষয়ে জানিবলৈ সক্ষম হৈছিলোঁ। লগতে বুৰঞ্জীখনৰ ঐতিহাসিক মূল্য, তথ্যসমৃদ্ধ বৰ্ণনাভংগী আৰু ইয়াৰ গদ্যশৈলীৰ বৈশিষ্ট্যৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিছিলোঁ।

এই অধ্যায়ত আমি মধ্যযুগীয় অসমৰ ব্যৱহাৰিক সাহিত্যৰ এক উল্লেখযোগ্য নিদৰ্শন *হস্তিবিদ্যার্ণৱ*ৰ বিষয়ে অধ্যয়ন কৰিম। ইয়াৰ জৰিয়তে ব্যৱহাৰিক সাহিত্যৰ স্বৰূপ আৰু বৈশিষ্ট্য,

হস্তিবিদ্যাৰ্ণৱ গ্ৰন্থখনৰ বিষয়বস্তু আৰু সাহিত্যিক গুৰুত্বৰ বিষয়ে জানিব পাৰিম। লগতে মধ্যযুগীয় অসমত হাতী সম্পৰ্কীয় জ্ঞান, হাতীৰ বিভিন্ন প্ৰজাতি, সিহঁতৰ লক্ষণ আৰু তাৎপৰ্যৰ বিষয়েও ধাৰণা লাভ কৰিব পাৰিম। এই অধ্যয়নৰ জৰিয়তে অসমীয়া পুথিচিত্ৰৰ ঐতিহ্য, শিল্প-সৌন্দৰ্য, *হস্তিবিদ্যাৰ্ণৱৰ* গদ্যশৈলী আৰু ভাষাগত বৈশিষ্ট্যসমূহ উপলব্ধি কৰাৰ লগতে তৎকালীন অসমৰ বৈজ্ঞানিক জ্ঞান আৰু সাংস্কৃতিক সমৃদ্ধিৰ বিষয়েও সম্যক জ্ঞান লাভ কৰিব পাৰিম।

১২.৩ ব্যৱহাৰিক সাহিত্যৰ গদ্যৰ চমু পৰিচয়

শংকৰদেৱৰ পৰৱৰ্তী সময়ত সৃষ্ট সাহিত্য ধাৰাসমূহৰ ভিতৰত এটি উল্লেখযোগ্য ধাৰা হ'ল ব্যৱহাৰিক সাহিত্য। মূলতঃ আহোম, দৰঙী আৰু কোচ ৰজাসকলৰ পৃষ্ঠপোষকতাত এই নতুন সাহিত্য ধাৰাটি সৃষ্টি হৈছিল। পাঠ্যবিষয়ত অন্তৰ্গত "হাতীৰ লক্ষণ" শীৰ্ষক পাঠটিও তেনে এখন ব্যাৱহাৰিক পুথিৰ পৰাই চয়ন কৰি অনা হৈছে। পাঠ্যবিষয়টিৰ আলোচনাৰ পূৰ্বে ব্যৱহাৰিক সাহিত্য আৰু হস্তিবিদ্যাৰ্ণৱ পুথিখনৰ বিষয়ে কিছু কথা আলোচনা কৰাৰ প্ৰসংগিকতা অনুভৱ কৰা হয়।

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, সম্পূৰ্ণৰূপে আভিধানিক অৰ্থতেই "ব্যৱহাৰিক" শব্দটো ব্যৱহাৰ কৰি এক শ্ৰেণীৰ সাহিত্যক এই নামেৰে অভিহিত কৰা হৈছিল। অসমীয়া সাহিত্যৰ মধ্যযুগৰ সময়ছোৱাত তেনে ধৰণৰ প্ৰায়োগিক জ্ঞান সম্বলিত এক শ্ৰেণীৰ সাহিত্য ৰচিত হৈছিল আৰু সেই সাহিত্যৰাজিকে ব্যৱহাৰিক সাহিত্য বুলি কোৱা হৈছিল। অসমীয়া ভাষা সাহিত্যৰ ক্ৰমোন্নতিত ইবিলাকৰ বিশেষ ভূমিকা আছে। ব্যৱহাৰিক সাহিত্যৰ সকলোখিনি গ্ৰন্থ পোহৰলৈ অহা নাই। বৰ্তমানলৈকে পোহৰলৈ অহা ব্যৱহাৰিক সাহিত্যৰাজিৰ ভাষাই সেইযুগৰ ভাষা ৰীতিৰ বৈশিষ্ট্য বহন কৰিছে।

সুকুমাৰ বৰকাথৰ সচিত্ৰ "হস্তিবিদ্যাৰ্ণৱ", "ঘোঁৰানিদান" আৰু কবিৰাজ চক্ৰৱৰ্তীৰ জ্যোতিষ সম্পৰ্কীয় কথা গ্ৰন্থ "ভাস্বতী" মহাৰাজ ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ ৰাজত্বকালত অসমীয়া গদ্যত ৰচিত উল্লেখযোগ্য ব্যৱহাৰিক জ্ঞানৰ পুথি। ইয়াৰে হস্তিবিদ্যাৰ্ণৱৰ ভাষাৰ লগত বুৰঞ্জীৰ ভাষা একে। উদাহৰণস্বৰূপে –"পৰ্বতৰ পৰা ওলাই আহি সোণৰ শৰ পহুৰে পানীৰ মুখত কটালি খালেহি। সেই পহুৰে পৰা কতো দিম থাকি দঁতাল-মাখঁুদি দুটা হাতী হৈ হাবিৰ বন পচলা খাই ফুৰে সকল জুৰিএ গুঁজৰি ফুৰে। তাৰপৰা অনেক লাখ বিলাখ হাতী হল।" এই গ্ৰন্থ ৰজা শিৱসিংহ আৰু ৰাণী অম্বিকাদেৱীৰ আদেশত সুকুমাৰ বৰকাথে ১৭৩৪ খ্ৰীষ্টাব্দত ৰচনা কৰে। হাতীৰ নানাবিধ শ্ৰেণীবিভাগ, হাতীৰ প্ৰকৃতি, ইয়াক বশ কৰাৰ কৌশল পদ্ধতি, হাতীৰ ৰোমাৰৰ চিকিৎসা পদ্ধতি আদি বিভিন্ন কথা এই গ্ৰন্থখনৰ মূল বিষয়বস্তু। এই পুথিখনৰ অন্তৰ্গত ছবিবোৰ দুজন শিল্পীয়ে আঁকিছিল। তেওঁলোকৰ নাম দিলবৰ আৰু দোচাই। এই ছবিবোৰ বিশেষ ধৰণৰ কলা নিপুণতাৰ পৰিচয়ক হোৱাৰ উপৰি ঐতিহাসিক দৃষ্টিকোণৰ পৰাও মূল্যৱান। একেদৰে অসমীয়া গদ্যত ৰচিত ব্যৱহাৰিক জ্ঞানৰ আন এখন উল্লেখনীয় পুথি হৈছে "ঘোঁৰা-নিদান"। ইয়াৰ ৰচনাৰ সময় সঠিকভাৱে জনা নাযায় যদিও ইয়াৰ ভাষাৰ পৰাই বুজা যায় যে ইও আহোম ৰাজত্বৰ শেষৰ ফালে– সম্ভৱতঃ ১৮ শ শতিকাৰ ভিতৰত ৰচিত। ঘোঁৰাৰ শ্ৰেণী, প্ৰকৃতি, ৰোমাৰ, চিকিৎসা আদি বৈষয়িক কথাবোৰ এই পুথিৰ বিষয়বস্তু। পুথিখনিৰ আৰম্ভণিতে আছে – "অথ গোঁৰাৰ লক্ষণ। টাঙ্গনৰ তিনি জাতি। টাটুকীৰ তিনি জাতি। টাটুকীৰ বুকু বহল, ডিঙ্গি ডাঙঁৰ। তাজীৰ বুকু

চেপ, ডিঙ্গি সৰু। কিয় ভাল আচোৱাৰি হ'লে বিচাৰি পাব।" এইবোৰ গ্ৰন্থ ৰজাঘৰীয়া অনুপ্ৰেৰণাত ৰচিত হৈছিল আৰু ব্যৱহাৰিক বিষয়ৰ পুথি কাৰণেই ব্যৱহাৰিক ভাষাৰ প্ৰয়োগ এইবোৰত লক্ষ্য কৰা যায়।

শতানন্দ ভট্টাচাৰ্যই সংস্কৃতত ৰচনা কৰা জ্যোতিষ শাস্ত্ৰ "ভাস্বতী"ৰ অসমীয়া গদ্যানুবাদ হৈছে কবিৰাজ চক্ৰৱৰ্তীৰ "ভাস্বতী"। এই অনুদিত গ্ৰন্থখন মূল গ্ৰন্থতকৈ চুটি যদিও ইয়াৰ মাজত জ্যোতিষ শাস্ত্ৰৰ বিভিন্ন কথা সোমাই আছে। কবিৰাজে আহোম ৰজা ৰুদ্ৰসিংহ, শিৱসিংহ আৰু ৰজা ফুলেশ্বৰীৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। একেদৰে আন এখন উল্লেখযোগ্য ব্যৱহাৰিক জ্ঞান সম্বলিত গ্ৰন্থ হৈছে "শ্ৰীহস্তমুক্তাৱলী"। সংস্কৃত শ্লোকত ৰচিত শ্ৰীহস্তমুক্তাৱলীৰ প্ৰণেতা শুভংকৰ। অসমৰ উপৰি বংগদেশ আৰু মিথিলায়ো এইজনা কবিক নিজৰ বুলি দাবী কৰে। আউনীআটী সত্ৰত পূৰ্ণৱ্ৰপৰ শ্ৰীহস্তমুক্তাৱলীখন পোৱাৰ পৰা শুভংকৰক অসমৰ বুলি দাবী কৰাৰ অধিক থল আছে। পুথিখনৰ অসমীয়া অনুবাদটি খ্ৰীষ্টীয় সপ্তদশ শতিকাৰ শেষ বা অষ্টাদশ শতিকাৰ প্ৰথমাৰ্ধৰ ভিতৰৰ সৃষ্টি। শ্ৰীহস্তমুক্তাৱলীৰ অসমীয়া অনুবাদে পুৰণি কালত অসমত সংগীত শাস্ত্ৰৰ প্ৰচলনৰ কথাটি সুন্দৰভাৱে প্ৰমাণ কৰে। এই গ্ৰন্থখন নৃত্য আৰু নৃত্যৰ মুদ্ৰা বিষয়ক এখনি প্ৰামাণিক গ্ৰন্থ। হস্তৰ অসংযুক্ত, সংযুক্ত আৰু নৃত্য-হস্ত – এই তিনিভাগৰ গোটেইবোৰ কথা ইয়াত বৰ্ণিত হৈছে। পুথিখনত মুঠতে ৯১৬টা শ্লোক আছে।

সেইদৰে কমলেশ্বৰ সিংহৰ দিনত মধুমিশ্ৰ বাগীশ বা বাগীশ দ্বিজে "হিতোপদেশ" অসমীয়া পদলৈ অনুবাদ কৰে। এওঁৰে সম্ভৱতঃ কামন্দকীয় নীতিশাস্ত্ৰৰ সংগ্ৰহ "নীতি-লতাঙ্কুৰ"। আউনীআটী সত্ৰৰ ষষ্ঠ অধিকাৰ প্ৰাণহৰিদেৱৰ দিনৰ মধুমিশ্ৰ বাগীশে দুৱৰা বংশৰ হৰনাথ ভিতৰুৱাল ফুকনৰ অনুপ্ৰেৰণাত "নীতি-লতাঙ্কুৰ" ৰচনা কৰে বুলি আউনীআটী সত্ৰৰ বুৰঞ্জীত খৰচি মাৰি আলোচনা কৰিছে। এই নীতি-লতাঙ্কুৰ গ্ৰন্থৰ মূল পাঠসমূহ সংস্কৃতত আছে; কিন্তু তাৰ ভাঙনিসমূহ অসমীয়া গদ্যৰ বিশুদ্ধ চানেকি। ইয়াত আঠোটা বিষয়ৰ আলোচনা আছে। মন্ত্ৰণাৰ বিষয়, স্থান, কাল, পাত্ৰ আদি, নীতিবৃক্ষৰ বৰ্ণনা, সন্ধিৰ প্ৰকাৰ, বিগ্ৰহ, ত্ৰিবৰ্গ, ক্ষয়, সাধনা, বৃদ্ধি অষ্টবৰ্গ [কৃষি, বাণিজ্য, দুৰ্গ, সেতু, কুঞ্জৰ, বন্ধন, খন্যাকৰ, বলাদান, শূন্যনিৱেশন] চাৰি উপায় [সাম, দান, ভেদ, দণ্ড], যান ব্যৱস্থা, কোট ব্যৱস্থা, ব্যূহ ব্যৱস্থা, অক্ষৌহিণীগণনা আদি ৰাজনীতিৰ প্ৰয়োজনীয় জ্ঞান গ্ৰন্থখনত দিছে। এই গ্ৰন্থৰ গদ্যও বুৰঞ্জীৰ গদ্যৰ সমপৰ্যায়ৰ।

"কামৰত্ন তন্ত্ৰ"ও হৈছে একে নামৰে সংস্কৃত শ্লোকৰ এখন গ্ৰন্থৰ অসমীয়া গদ্যানুবাদ। মূল গ্ৰন্থখনৰ ৰচক গোৰখ নাথ। ইয়াৰ অসমীয়া অনুবাদক জনৰ নাম সুচান্দ ওজা। শিৱ-পাৰ্ব্বতীৰ কথোপকথনৰ মাজেদি এই পুথিৰ বিষয়বস্তু প্ৰকাশিত হৈছে। বিশেষকৈ এই পুথিখনত স্তমভন, বশীকৰণ, মাৰণ, উৎচাটন আদি তান্ত্ৰিক কথাবোৰ আৰু সাধন প্ৰণালীৰ বিৱৰণ দিয়া হৈছে। পুথিখনিৰ আৰম্ভণিতে আছে – "শ্ৰীকৃষ্ণায় নমঃ। অথশিৱ-পাৰ্বতী সংবাদ। একদিনা পাৰ্বতীয়ে শঙ্কৰক সুধন্ত, প্ৰভু কাম ৰত্ন তন্ত্ৰ মোক কহা। শঙ্কৰে কহন্ত জানা পাৰ্বতী, বশ, আকৰ্ষণ, বিদ্বেষণ, স্তমভণ, মাৰণ, শান্তিপুষ্টি আদি কৰি এই কৰ্ম্মসকল যে কালত যে নিয়মে কৰিব তাহক কহো।"

তদুপৰি কাশীনাথৰ "অঙ্কৰ-আৰ্য্যা", চূড়ামণিৰ "জ্যোতিষ চূড়ামণি", কবিৰত্ন দ্বিজৰ "লীলাৱতী", বকুল কায়স্থৰ "কিতাবৎ মঞ্জৰী" আদি ব্যৱহাৰিক সাহিত্যৰ উল্লেখযোগ্য পুথি। এই পুথিবোৰ জ্যোতিষ, গণিত আদি বিষয়ক। কাশীনাথৰ "অঙ্কৰ আৰ্য্যা" গদ্যত লিখা গণনা বিষয়ক গ্ৰন্থ। চূড়ামণি দ্বিজৰ "জ্যোতিষ চূড়ামণি"টো জ্যোতিষৰ লগতে যোগ-বিয়োগ আৰু জোখ-মাখ সম্পৰ্কীয় কথা আছে। এই

গ্ৰন্থখন "কিতাবৎ মঞ্জৰী"ৰ পৰৱৰ্তী সময়ৰ ৰচনা, কাৰণ ইয়াত চূড়ামণিয়ে বকুল কায়স্থক গুৰু মানি লোৱাৰ কথা উল্লেখ আছে। কবিৰত্ন দ্বিজৰ "লীলাৱতী" গ্ৰন্থত যোগ-বিয়োগ, পূৰণ-হৰণৰ উপৰি বীজ গণিতীয় সমীকৰণৰ বৰ্গমূল, ঘনমূল আদি উলিওৱা নিয়ম সন্নিৱিষ্ট হৈছে। গদ্যত লিখা এই পুথিখনৰ ৰচনাকাল অজ্ঞাত। কোচ ৰাজ নৰনাৰায়ণৰ সভাপণ্ডিত বকুল কায়স্থই ভাস্কৰাচাৰ্য দ্বিতীয়ৰ সুবিখ্যাত গ্ৰন্থ "সিদ্ধান্ত শিৰোমণি"ৰ "লীলাৱতী" অংশৰ ভিত্তিত "কিতাবৎ মঞ্জুৰী" ৰচনা কৰিছিলে। কামৰূপ অনুসন্ধান সমিতিত থকা বকুল কায়স্থৰ "কিতাবৎ মঞ্জৰী" পুথিখন ১৩৫৬ শকত লিখা হয় বুলি উল্লেখ আছে। গ্ৰন্থখন পদ ছন্দত ৰচিত। মন কৰিবলগীয়া যে বকুল কায়স্থ বহুতৰ মতে শ্ৰীশঙ্কৰদেৱৰ পূৰ্ববৰ্তী; দেবেন্দ্ৰনাথ বেজবৰুৱাৰ মতে এওঁৰ "কিতাবৎ মঞ্জৰী পুথি ১৫০৮ ত লিখা। কিন্তু "দৰং ৰাজবংশাৱলী"ৰ মতে ই ১৫৪০১ আগৰ হ'ব নোৱাৰে, কিয়নো সেই বছৰতহে নৰনাৰায়ণ ৰাজপাটত উঠে আৰু তেওঁ নৰনাৰায়ণৰ ৰাজসভাৰ কবি আছিল। আত্ম-পৰিচয়ত বকুল কায়স্থই লিখিছে –

কিতাবত শাস্ত্ৰখান পৰম গহন।
আক আৰম্ভিলো আমি হুয়া মুঢ়জন।।
দোষ নিদি ক্ষমা কৰা মূৰ্খ হেন জানি।
বকুল বাৰ্ণলা শিৰ বন্দিয়া ভৱনী।।

ৰাজকীয় বস্তু-বাহিনীৰ হিচাপ কেনেদৰে ৰাখিব লাগে, যোগ-বিয়োগ হিচাপ কেনেদৰে ৰাখিব লাগে, মাটি-বাৰীৰ জোখ কেনেকৈ উলিয়াব লাগে– এনেবোৰ কথাৰ বিৱৰণ কিতাবৎ মঞ্জৰীত আছে। এইখন অসমত গণিত চৰ্চাৰ প্ৰাচীনত্বৰ ইঙ্গিত বহনকাৰী গ্ৰন্থ।

১২.৩.১ হস্তীবিদ্যাৰ্ণৱ পুথিখনৰ সাধাৰণ পৰিচয়

অসমীয়া পুথিচিত্ৰসমূহ অধ্যয়ন কৰিলে দেখা যায় যে, যি কেইখন উল্লেখযোগ্য সচিত্ৰ পুথি বৰ্তমানলৈকে অসমত পোৱা গৈছে [শঙ্খচূড় বধ, ধৰ্মপু�ৰাণ, লৱ-কুশৰ যুদ্ধ, গীত-গোবিন্দ, বনমালীদেৱৰ চৰিত্ৰ, সচিত্ৰ ভাগৱত আৰু হস্তিবিদ্যাৰ্ণৱ] তাৰে ভিতৰত উল্লেখযোগ্য পুথি এখন হ'ল "হস্তিবিদ্যাৰ্ণৱ"। ইতিমধ্যে উল্লেখ কৰি অহা গৈছে যে আহোম স্বৰ্গদেউ শিৱসিংহ আৰু বৰকুঁৱৰী অম্বিকাদেৱীৰ আদেশ অনুসৰি সুকুমাৰ বৰকাথে এই পুথিখন ৰচনা কৰিছিল। মূল পুথিখনি হেমচন্দ্ৰ গোস্বামীয়ে পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ সন্ততি লোকেশ্বৰ বুঢ়াগোহাঞিৰ ঘৰৰ পৰা সংগ্ৰহ কৰিছিল। তেখেতৰ পিতৃ মুহীধৰ বুঢ়াগোহাঞিৰ নামো পুথিখনৰ এঠাইত পোৱা গৈছে। মূল পুথিখনৰ কেইবাখিলাও পাত আগৰ পৰা নাই। সূৰ্য্যকুমাৰ ভূঞাৰ মতে– "বোধ কৰোঁ মান-মৰাণৰ বিপ্লৱত অসমৰ বহুত ঐশ্বৰ্য লোপ পোৱাৰ দৰে এই পুথিৰ কিছুমান পাতো হেৰায়। তথাপি যিখিনি আছে, তাৰে পৰা অসমৰ চিত্ৰকলা আৰু গজশাস্ত্ৰৰ সম্যক আভাস পাব পাৰি।" সম্প্ৰতি পুথিখন ছপা ৰূপত উপলব্ধ। ১৯৭৬ চনত অসম প্ৰকাশন পৰিষদে ছপা ৰূপ দি প্ৰকাশ কৰে। হস্তিবিদ্যাৰ্ণৱ মূল পাণ্ডুলিপিটো বৰ্তমান অসমৰ পু�ৰাতত্ত্ব সঞ্চালকালয়ত সংৰক্ষিত আছে।

অসমীয়া জাতিৰ মাজত হাতীৰ গুৰুত্ব অতীজৰে পৰাই আছিল; হাতী ৰজাকে ধৰি সম্ভ্ৰান্ত ব্যক্তিসকলৰ বাবে ক্ষমতাৰ প্ৰতীকস্বৰূপ। বিয়া-বাৰু, সমাৰোহ, দৈনন্দিন কাম-কাজ আৰু যুদ্ধৰ বাবে হাতী ব্যৱহাৰ কৰিছিল। অসমত বাসকৰা খাম্‌তি, চিংফৌ, নৰা, ফাঁকিয়াল, আৰু মৰাণ জাতিৰ মানুহে

হাতীৰ বিষয়ে বৰ ভালকৈ জানিছিল। সাধাৰণতে তেওঁলোকৰ পৰাই হাতীৰ ফান্দি আৰু মাউত বাছি লোৱা হৈছিল। "অসমত হাতীৰ প্ৰাচুৰ্যৰ কাৰণেই হয়তো কামৰূপৰ প্ৰাচীন নৃপতিসকলে হাতীকে অসমৰ ধ্বজা ৰূপে ব্যৱহাৰ কৰিছিল।"

অসমীয়া মানুহে হাতী বহুত ব্যৱহাৰ কৰাৰ বাবেই হাতীক শিকোৱা, হাতীৰ চক ভঙ্গা, হাতীৰে কাঠ আদি টনা কাম কৰা আৰু হাতী ব্যাধিৰ প্ৰতিকাৰ– এইবোৰৰ বিষয়ে ডাঙৰ-সৰু পুথি অপৰ্যাপ্ত আছিল। আনহাতে সংস্কৃত ভাষাত পালকাপ্য মুনি বিৰচিত "হস্তি আয়ুৰ্ব্বেদ", নীলকণ্ঠ বিৰচিত "মাতঙ্গলীলা", তাঞ্জোৰত থকা অসম্পূৰ্ণ সংস্কৃত পুথি আৰু "গজেন্দ্রচিন্তামণি" আদি পুথি আছে। ইয়াৰ উপৰি বৰাহমিহিৰৰ "বৃহৎ সংহিতা", সোমদেৱৰ "যশস্তিলক", কৌটিল্যৰ "অর্থশাস্ত্র" আৰু "কামন্দকীয় নীতিসাৰ"– আদি গ্ৰন্থতো গজশাস্ত্ৰৰ দীঘলীয়া আভাস সংকলিত হৈছে।

সত্যেন্দ্রনাথ শর্মাই সুকুমাৰ বৰকাথ ৰচিত পুথিখন শম্ভুনাথ প্ৰণীতা "গজেন্দ্র-চিন্তামণি" নামৰ সংস্কৃত গ্ৰন্থৰ আধাৰত লিখা হৈছিল বুলি মত পোষণ কৰিছিল। কিন্তু এই ক্ষেত্ৰত সূৰ্য্যকুমাৰ ভূঞাৰ মতটি কিছু পৃথক। তেওঁৰ মতে "অসমীয়া গজশাস্ত্র বিশাৰদ সুকুমাৰ বৰকাথে যাৰতীয় সংস্কৃত গ্ৰন্থ কিছুমানৰ বাহিৰেও অসমত প্ৰচলিত সকলো পুথি আৰু দাঁতি-কাষৰীয়া জাতিৰ মাজত প্ৰচলিত হাতীৰ ব্যাধিৰ নানান প্ৰতিকাৰৰ কথাও সন্নিৱিষ্ট কৰি হস্তিবিদ্যার্ণৱ পুথিখন ৰচনা কৰিছে। দেশ-বিদেশৰ সকলো হস্তিজ্ঞানৰ একত্রীকৰণ হিচাপে হস্তিবিদ্যার্ণৱ পুথিখনিৰ মূল্য অতি অধিক।"

হস্তিবিদ্যার্ণৱত বিভিন্ন হাতীৰ লক্ষণ, হাতীশাল নির্মাণৰ নিয়ম, হাতীবন্ধা খুঁটাৰ মান আৰু কাঠৰ নির্বাচন, হাতীদাঁতৰ মূল্য, যাত্রাৰ পূৰ্বে আৰু পাছত হাতীৰ শুভ কাম, কামন্দকীয় নীতিসাৰ মতে হস্তীৰ কর্ম, যুদ্ধ হস্তীৰ কথা, ঐৰাৱত হাতীৰ কথা, নিন্দিত হাতীৰ কথা, ৰজাৰ গড়ৰ বাজত থাকিবলগীয়া হাতী, অন্য ৰজাৰ লগত অপ্রীতিবদ্ধর্ক হাতী, আৰু বেয়া হাতীৰ লক্ষণ, স্বর্গদেৱৰ ঘাই হাতীৰ নিয়ম, হস্তী বশ্য হোৱাৰ মন্ত্র ইত্যাদি বিভিন্ন বিষয়ে বিৱৰণ সন্নিৱিষ্ট আছে। আনকি পুথিখনত "হস্তিবিদ্যার্ণৱৰ সাৰ সংগ্রহ নির্ঘণ্ট" শীর্ষক এটি নির্ঘণ্টও দিয়া আছে। সামগ্রিকভাৱে পুথিখনৰ প্রধান বিষয়বস্তুসমূহ এনেদৰে উল্লেখ কৰিব পাৰি–

- বিবিধ হাতীৰ লক্ষণ : শুভ আৰু অশুভ লক্ষণ, হাতীৰ দেহৰ গঠন, দাঁতৰ আকৃতি আৰু দৈর্ঘ্য, হাতীৰ বর্ণ আদি।
- হাতীশাল নির্মাণৰ নিয়ম : হাতীশাল নির্মাণৰ উপযুক্ত স্থান, খুঁটাৰ মান, কাঠৰ প্রকাৰ আৰু হাতী ধাৰণৰ ক্ষমতা।
- হাতীৰ স্বাস্থ্য আৰু চিকিৎসা : হাতীৰ বিভিন্ন ৰোগ আৰু তাৰে চিকিৎসা, উপযুক্ত আহাৰ আৰু পোহ-পালনৰ নিয়ম।
- যুদ্ধৰ বাবে হাতীৰ প্রস্তুতি : যুদ্ধৰ বাবে হাতী প্রশিক্ষণ, যুদ্ধক্ষেত্রত হাতীৰ ব্যৱহাৰ আৰু হাতীৰে সৈন্যবাহিনী গঠন।

- হাতীৰ শুভ আৰু অশুভ কাম : হাতীৰ শুভ কামনাৰ বাবে পালনীয় বিধি, হাতীৰে যাত্রা আৰু উভতি অহাৰ নিয়ম।

উদাহৰণস্বৰূপে মঙ্গলদায়ক হাতীৰ বিষয়ে বৰ্ণনা কৰিছে এনেদৰে – "শ্যামবর্ণ, সুন্দৰ, শৰীৰ স্থূল, দুইদন্ত দীর্ঘ, সমান ৰঙ্গ কৰা, আগলৈ চাপি যোৱা, কালশিলি বর্ণ, অগ্রজোঙ্গা, নখ অল্পকলিয়া, বলৱন্ত আৰু যদি পায় ৰজাৰ বহুত ধন লাভ হয়। আৰু উত্তম আহাৰ দিয়ে বশ কৰিব পাৰি।"

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ : হস্তিবিদ্যার্ণৱ গ্রন্থখন কোনে, কেতিয়া আৰু কাৰ আদেশত ৰচনা কৰিছিল ?

.....

প্রশ্ন নং ২ : হস্তিবিদ্যার্ণৱ গ্রন্থখনৰ মূল বিষয়বস্তু কি ?

.....

প্রশ্ন নং ৩ : ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজায় ?

.....

১২.৪ মূল পাঠ (হস্তিৰ জন্মকথা, দতাল হাতীৰ লক্ষণ)

হস্তিবিদ্যার্ণৱ পুথিখনত বিভিন্ন অংশত বিভিন্ন হাতীৰ লক্ষণ সন্নিৱিষ্ট হৈছে। তাৰে ভিতৰত ব্যাসদেৱে যুধিস্থিৰৰ আগত ঐৰাৱত আদি কৰি আঠ প্রকাৰৰ হাতীৰ লক্ষণ সংস্কৃতত ব্যক্ত কৰিছিল। এই হাতীসমূহ ৰজাসকলৰ বাবে কুশলদায়ক আৰু পালিবৰ যোগ্য বুলিও মন্তব্য কৰিছিল। সেই অংশটিহে পাঠ্যবিষয়ত অন্তর্ভুক্ত হোৱাত বাবে তলত এই বিষয়ে আলোচনা কৰা হ'ল।

প্রথমতেই আছে "সুপ্রতীক হাতীৰ লক্ষণ"। সুপ্রতীক নামৰ প্রজাতিটোৰ দুয়োটা দাঁতৰ আকাৰ একে আৰু ৰঙচুৱা, চাৰিওটা ভৰিৰ আকাৰ সমান আৰু ডাঙৰ, নেজডাল দীঘল আৰু পোন। গাৰ ৱৰণ শ্যামসুন্দৰ, ওখ সাত হাত, মুৰটো ঘূৰণীয়া যদিও ওপৰলৈ ওঠা আৰু সুন্দৰ। কাণ ফুটুকা-ফুটুকী, স্থলপদ্ম সদৃহ, চকু ৰঙা, শুৱ দীঘল, শক্তিশালী আগলৈ ফালে ক্ষীণ কিন্তু বলী। নখ বগা যদিও অলপ ৰঙচুৱা, ডিঙি ডাঠ আৰু শক্তিশালী, অলপ কুঁজা, বেছি চুটি বা বেছি দীঘল নহয়, ডিঙিটো বৃহৎ পৰিমাণৰ ৰুটিং পানীৰে আবৃত, আৰু গম্ভীৰ গতিৰে গমন কৰে। সেয়ে এনে হাতীক বৃহৎ সংখ্যক মাইকী হাতীয়ে আগুৰি থাকে। এনে হাতী অতি সৌভাগ্যৱানজনেহে পায় আৰু ইয়াক সহজে বশ কৰিব নোৱাৰি কিন্তু পূজাৰেহে বশ কৰিব পাৰি।

দ্বিতীয়তে আছে "ঐৰাৱতৰ লক্ষণ"। দাঁত চাৰিটা সমান ৰঙচুৱা। গাৰ ৱৰণ কর্পূৰৰ দৰে বগা। চৰিও ভৰি সমান, স্থূল, নেজ দীঘল আৰু পোন। ওখ সাত হাত। মূল ওখ আৰু ওপৰলৈ উঠা, কাণ ফুটুকা-ফুটুকী। শুৱদাল দীঘল স্থূল আৰু আগলৈ চুঁচি মৰা, শক্তিশালী। নখ শুকুলা আৰু অলপ ৰঙচুৱা ধৱণৰ। চকু অলপ ৰঙচুৱা, ডিঙি ডাঠ স্থূল আৰু দৃঢ়। অলপ কুঁজা চানেকীয়া। বেছি চুটি বা বেছি দীঘল নহয়, ডিঙিটো বৃহৎ পৰিমাণৰ ৰুটিং পানীৰে আবৃত, আৰু গম্ভীৰ গতিৰে গমন কৰে। সেয়ে এনে হাতীক বৃহৎ সংখ্যক মাইকী হাতীয়ে আগুৰি থাকে। এনে হাতী পালে ৰজাৰ ঐশ্বর্য বৃদ্ধি পায়। এনে হাতীক সহজে বশ কৰিব নোৱাৰি কিন্তু চতুৰভাৱেহে বশ কৰিব পাৰি।

তৃতীয়তে আছে "পুণ্ডৰীকৰ লক্ষণ"। দাঁত দুটা সমান ৰঙচুৱা। গাৰ বৰণ কৰ্পূৰৰ দৰে বগা। চৰিও ভৰি সমান, স্থূল, নেজ দীঘল আৰু পোন। ওখ সাত হাত। মূৰ ওখ আৰু ওপৰলৈ উঠা, কাণ ফুটুকা-ফুটুকী। শুৱদাল দীঘল স্থূল আৰু আগলৈ চুঁচি মৰা, শক্তিশালী। নখ শুকুলা আৰু অলপ ৰঙচুৱা ধৰণৰ। চকু অলপ ৰঙচুৱা, ডিঙি ডাঠ স্থূল আৰু দৃঢ়। অলপ কুঁজা চানেকীয়া। বেছি চুটি বা বেছি দীঘল নহয়, ডিঙিটো বৃহৎ পৰিমাণৰ ৰুটিং পানীৰে আবৃত, আৰু গম্ভীৰ গতিৰে গমন কৰে। সেয়ে এনে হাতীক বৃহৎ সংখ্যক মাইকী হাতীয়ে আগুৰি থাকে। এনে হাতী যিজনে পায়, তেওঁৰ শত্ৰু নাশ হয়, নতুন ৰাজ্য লাভ কৰে। এনে হাতীক সহজে বশ কৰিব নোৱাৰি, মন্ত্ৰৰেহে বশ কৰিব পাৰি।

ব্যাসে চতুৰ্থতে "বামন" নামৰ প্ৰজাতিটোৰ বৈশিষ্ট্যসমূহ লিপিবদ্ধ কৰিছে। বামন প্ৰজাতিৰ হাতীৰ উচ্ছতা পাঁচ হাত, শক্তিশালী, গম্ভীৰ আৰু অহংকাৰী। দাঁতবোৰ সমান আকাৰ আৰু ৰঙা ৰঙৰ, শেষৰ ফালে জোঙা হৈ থাকে। গাৰ বৰণ ক'লা ৰঙৰ, গতিত দ্ৰুত আৰু মূৰটো ওখ, দাগযুক্ত নখ, দীঘল আৰু শক্তিশালী নেজ আৰু কঠোৰ পৰিশ্ৰম কৰিবলৈ সক্ষম। সঠিক নিৰ্দেশনা দিলেহে ইয়াক বশ কৰিব পাৰি।

পঞ্চমটো প্ৰাজাতি হ'ল "কুমুডা"; এই প্ৰজাতিৰ বৈশিষ্ট্যসমূহ এনেধৰণৰ – ইয়াৰ উচ্ছতা ছয় হাত, ৰং মিহি কিন্তু গাঢ়। দীঘল দাঁত, নখ ক'লা ৰঙৰ আৰু এনে হাতীয়ে নিজৰ শক্তিৰ বাবে কাকো গুৰুত্ব নিদিয়ে। ইয়াক বিভিন্ন ধৰণৰ ভাবুকিৰেহে প্ৰশিক্ষণ দিব পাৰি।

"অঞ্জনা" নামৰ প্ৰজাতিটোৰ বৈশিষ্ট্যসমূহ এনে ধৰণৰ – এনে হাতীবোৰ মিহি ক'লা ৰঙৰ, সুন্দৰ আৰু ডাঙৰ ডাঙৰ শৰীৰৰ, দীঘল দাঁতবোৰ আকাৰত সমান, অলপ ৰঙচুৱা আৰু আগৰ ফালে ভেৰ চাই চাপি যোৱা। নেজ অলপ ক'লা আৰু আগলৈ জোঙা। নখ অলপ ক'লা বৰণৰ। ইহঁত অতি জোৰদাৰ। এনে হাতী লাভ কৰা ৰজাৰধন-সম্পত্তি বৃদ্ধি পায়। উত্তম ধৰণৰ পশুখাদ্য দিহে প্ৰশিক্ষণ দিব পাৰি।

"পুষ্পদন্ত" নামৰ প্ৰজাতিটোৰ বৈশিষ্ট্যসমূহ এনে ধৰণৰ – ইহঁতৰ উচ্ছতা ছয় হাত, অতি বেগৱন্ত আৰু শক্তিশালী আৰু স্থূল শৰীৰ। দাঁতৰ আকাৰ সমান, চুটি আৰু বগা ৰঙৰ। চকু বগা যদিও অলপ ৰঙচুৱা, শুৰ আৰু নখ ফুটুকাফুটুকি। এনে ধৰণৰ হাতী লাভ কৰা ৰজাৰ সমৃদ্ধি বৃদ্ধি পায়। এনে হাতীক অঙ্কুশ,ৰ আগেদিহে বশ কৰিব পাৰি।

ব্যাসে কোৱা আঠ প্ৰকাৰৰ হাতীৰ শেষৰটো প্ৰজাতি হ'ল "সাৰ্ব্বভৌম"। এই প্ৰজাতিটোৰ বৈশিষ্ট্যসমূহ এনে ধৰণৰ – দাঁত দুটা সমান ৰঙচুৱা। চৰিও ভৰি সমান, স্থূল, নেজ দীঘল আৰু পোন; গাৰ বৰণ শ্যাম, সুন্দৰ। ওখ সাত হাত। মূৰ ওপৰলৈ উঠা, কাণ ফুটুকা-ফুটুকী, শৰীৰ স্থূল আৰু দীৰ্ঘাকাৰ। বৰ বেগৱন্ত। স্থলপদ্মৰ দৰে ৰঙা শুৱদাল দীঘল স্থূল আৰু আগলৈ চুঁচি মৰা, শক্তিশালী। নখ শুকুলা আৰু অলপ ৰঙচুৱা ধৰণৰ। ডিঙিটো বৃহৎ পৰিমাণৰ দৃঢ় আৰু ৰুটিং পানীৰে আবৃত। বলী বাবে দাম্ভিক আৰু কাকো নামনে। এনে হাতীক বৃহৎ সংখ্যক মাইকী হাতীয়ে আগুৰি থাকে। বহু প্ৰচেষ্টাৰ অন্তত হে এনে হাতী লাভ কৰা যায় আৰু ইয়াত সহজে নিয়ন্ত্ৰণ কৰিব নোৱাৰি। এনে হাতীক আৱৰণ দিহে ৰাখিব লাগে; বৰ বেছিকৈ বাহিৰলৈ আনিব নালাগে যাতে সিহঁতক বশ কৰিব পৰা যায়।

ইয়াৰ পাছতে ব্যাসে পুনৰ বেয়া হাতীৰ লক্ষণসমূহৰ বৰ্ণনা আৰম্ভ কৰিলে। পাঠ্যবিষয়ত সেইখিনি অন্তৰ্ভুক্ত হোৱা নাই বাবে সেয়া আলোচনা কৰাৰ পৰা বিৰত থকা গ'ল।

হাতীৰ লক্ষণসমূহ আলোচনা কৰোঁতে এটা কথা ফুটি উঠিল যে অতি সূক্ষ্মভাৱে লক্ষ্য কৰিলেহে এই শ্রেণীবিভাজনসমূহ উপলব্ধি কৰিব পাৰি। প্রতিটো হাতীৰে বৈশিষ্ট্যসমূহত কিছু পৰিমাণে মিল আছে যদিও সূক্ষ্ম পার্থক্য বিৰাজমান। ইয়াৰ জৰিয়তে সহজেই অনুমান কৰিব পাৰি যে সুকুমাৰ বৰকাথে বৰ সূক্ষ্মভাৱে এই পার্থক্যসমূহ বিবেচনা কৰিছিল। পাঠখিনি অধ্যয়ন কৰোঁতে কেইটামান বিশেষ ভাষাগত বৈশিষ্ট্যও চকুত পৰিছিল – ইয়াত "র্ণ" ঠাইত "ন্নৱ্" ব্যৱহাৰ কৰা হৈছে, ঠিক সেইদৰে "শ"ৰ ঠাইত "ষ" [নাশ > নাষ], "শু" ৰ ঠাইত "সুঁ" [শুৰ > সুঁড়], "ৱ" ৰ ঠাইত "ঢ়" বা "ড়" [শুৰ > সুঁঢ়, শুৰ > সুড়] ইত্যাদি। তৎসম শব্দৰ প্রয়োগ সুলভ, যেনে – "কণ্ণৱ্", "বন্নৱ্"। কম কথাৰে বহু অর্থ প্রকাশ কৰাত বৰকাথ সিদ্ধহস্ত আছিল। ইয়াৰ প্রমাণ আলোচ্য পাঠটিতে দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে – "শ্যামবণ্ণৱ্ সুন্দৰ শৰীৰস্থুল দুই দন্ত দীর্ঘ সমান ৰঙ্গকৰা।"

আলোচ্য পাঠটি গদ্যত বুৰঞ্জীৰ গদ্যৰ প্রভাৱ বহুলাংশে আছে। প্রধানতঃ আহোম ৰজাৰ পৃষ্ঠপোষকতাত এই গ্রন্থখন ৰচনা কৰা হৈছিল বাবেই তেনে হৈছে বুলি ধাৰণা কৰিব পাৰি। এই গ্রন্থখনে মধ্যযুগৰ অসমীয়া পুথিচিত্রৰ লগতে গদ্যশৈলীৰো ৰূপ বহন কৰি আধুনিক অসমীয়া গদ্য সৃষ্টিত অসীম ভূমিকা পালন কৰিলে।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ : ঐৰাৱত প্রজাতিৰ হাতীৰ বৈশিষ্ট্যসমূহ লিখা।

.....

.....

.....

প্রশ্ন নং ৫ : বামন প্রজাতিৰ হাতীৰ লক্ষণসমূহ কি কি ?

.....

.....

প্রশ্ন নং ৬ : হস্তিবিদ্যার্ণৱ পুথিখনৰ ভাষাগত বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

.....

১২.৪.১ গদ্যশৈলী

হস্তিবিদ্যার্ণৱ পুথিখনৰ লিখন শৈলীটো মধ্যযুগীয় অসমীয়া লিপিৰ অন্তর্গত কাইথেলী শৈলী। এই শৈলীৰ আখৰৰ কিছু বিশেষ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এই বৈশিষ্ট্যসমূহ হস্তিবিদ্যার্ণৱ পুথিখনত ৰক্ষিত হৈছে। সেই বৈশিষ্ট্যসমূহ এনেধৰণৰ–

- পাকৰ সংখ্যা অলপ বেছি হ'লেও এইবিধ আখৰ মুকুতা যেন ফটফটীয়া।

- এই লিপিত লিখা শাৰীবোৰ সমান সমান। আখৰবোৰ দীঘল-চুটি হ'ব নোৱাৰে আৰু শাৰী বৰ ঘনো নহয়–পাতলো নহয়।
- এই লিপিভংগীত আখৰৰ ওপৰৰ টিকনিডাল [উ, ট, ঠ ইত্যাদিত] আৰু তলৰ ৰেখা বা ডাঁৰডালত সোঁফালৰ লম্ব ডাঁৰডালত সংলগ্ন হৈ আলংকাৰিকভাৱে বহুখিনি বঢ়াই টানি নিয়া দেখা যায়।
- আখৰৰ কোণবোৰ স্পষ্ট। শব্দবোৰ সাধাৰণতে [ব্যতিক্রম নোহোৱা নহয়] একে লানিতে লিখি যোৱা, পৰিচ্ছিন্নভাৱে পৃথক কৰি দেখুওৱা নহয়।

আনহাতে পুথিখনত থকা ছবিবোৰত কেইটামান বিশেষ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। প্রায় প্রতিটো পৃষ্ঠাতে হাতীৰ দোষ-গুণৰ বর্ণনাৰ সূত্রে ছবি সংযোজন কৰা হৈছে। ৰজা কোন হাতীত উঠিলে ভাল, কোন হাতীত উঠিলে বেয়া, কোন হাতী থাকিলে ৰজাৰ কুশল আৰু সমৃদ্ধি বাঢ়ে, সেইবোৰ বর্ণনা কৰোঁতে চিত্রকৰে পৃষ্ঠপোষক ৰজা শিৱসিংহ মহাৰাজ আৰু ৰৰকুঁৱৰী অম্বিকাদেৱী আৰু তেওঁলোকৰ চ'ৰাৰ বিষয়াসকলৰ ছবি অংকন কৰিছে। শিৱসিংহ ৰজাৰ ৰাজচ'ৰাৰ বিবিধ অৱস্থাৰ ছবি এই পুথিত পোৱা যায়। লগতে স্বর্গদেৱৰ সমৃদ্ধি আৰু সৌভাগ্য দেখুৱাবলৈ স্বর্গদেৱক উপহাৰ বস্তু দিয়াৰ নানান ছবিও পুথিখনত অঙ্কিত কৰা হৈছে।

চিত্রসমূহত মোগল আৰু স্থানীয় অসমীয়া শৈলীৰ সংমিশ্রণ পোৱা যায়। দিলবৰ আৰু দোচায়ে এই চিত্রসমূহ অঙ্কন কৰিছিল। বহু সাহিত্যৰ বুৰঞ্জীকাৰে এই চিত্রকৰ দুগাৰাকী মোগল আছিল বুলি মত পোষণ কৰে। কিন্তু সূর্য্যকুমাৰ ভূঞাৰ মতে দিলবৰ ভাটীৰ চিত্রবিদ্যাত পণ্ডিত আছিল আৰু দোচাই হিন্দু তথা থলুৱা চিত্রকলাত সুনিপুণ। পুথিত স্বর্গদেউ শিৱসিংহ, ৰৰকুঁৱৰী অম্বিকাদেৱীৰ সন্তান উগ্রসিংহ কোঁৱৰৰ ছবিও অন্তর্ভুক্ত কৰা হৈছে। ঠিক সেইদৰে "আঠোদেশৰ যশস্যাৰূপ চন্দ্রতাপে আচ্ছাদন কৰিছে"– এই বুলি কৈ ভাৰতৰ আঠজন ৰজাৰ ছবি দিয়া হৈছে। কিন্তু কোনজন কোন দেশৰ ৰজা সেয়া উল্লেখ কৰা হোৱা নাই বাবে সেই ৰজাসকলক চিনাক্ত কৰাত আহুকাল হৈছে। সূর্য্যকুমাৰ ভূঞাই "হস্তিবিদ্যাৰ্ণৱ পুথি" শীর্ষক ৰচনাখনত এই গ্রন্থখনৰ চিত্রসম্পর্কে এটি উল্লেখযোগ্য মন্তব্য আগবঢ়াইছে– "এই পুথিত থকা ৰজা, বিষয়া, দোলাকাষৰীয়া আদিৰ ছবিত অর্পিত কৰা কিছু সাজ-পাৰ মোগলী ধৰণৰ। আগৰ দিনত স্বর্গদেৱসকলৰ শিৰবস্ত্র আছিল ফচৌ। শঙ্খচূড় বধত মহাৰাজ গদাধৰ সিংহৰ ছবিত এই ফচৌকে ব্যৱহাৰ কৰা হৈছে। ৰুদ্রসিংহ স্বর্গদেৱ ৰজাৰ দিনৰে পৰা মোগলী প্রথামতে নতুন সাজ-পাৰৰ প্রচলন হয়, যথা, জামা, পাগ, ইজাৰ। পোনতে ডাঙৰীয়াসকলে দেশৰ ধৰণ এৰি বিদেশীৰ ধৰণে বঁটা পিন্ধিবলৈ অমান্তি হৈছিল, পাচে তেওঁলোকো সন্মত হ'ল। সেইদিনাৰে পৰা স্বর্গদেৱৰ বৰচ'ৰাত মোগলী প্রথা মতে পাগ, জামা, ইজাৰৰ প্রচলন হ'ল।" এই কথাখিনিয়ে এটা কথা প্রতিপন্ন কৰে যে পুথিখনৰ মাজত তদানীন্তন কালৰ ৰাজ পৰিয়াল তথা জনসাধাৰণৰ বেশভূষা সম্পর্কেও কিছু আভাস আমাক প্রদান কৰে। হস্তিবিদ্যাৰ্ণৱ পুথিখনত সৰহভাগ ছবিয়েই বিতোপন, জকমক আৰু উজ্জ্বল হৈয়ে আছে। কিছু ছবিহে সময়ৰ প্রেক্ষাপটত ম্লান পৰিছে। এই পুথিখনত বিভিন্ন ধৰণৰ হাতীৰ লগতে ৰাজপ্রাসাদ, ৰজা-ৰাণী, পৰিষদগণ, প্রজাগণৰ লগতে হৰিণ, শিয়াল, উট, কণামুচৰি চৰাই, সাপ, হাঁহ, গাহৰি, ঘোঁৰা, কুকুৰা, ম'হ আদিকে ধৰি বহু জীৱ-জন্তুৰ ছবিও অংকন কৰিছে।

হস্তিবিদ্যাৰ্ণৱ পুথিখন গদ্যশৈলীতে লিখা হৈছে, অৱশ্যে কৰবাত কৰবাত সংস্কৃতগন্ধী ভাষাৰো প্রয়োগ হোৱা দেখা যায়। উদাহৰণস্বৰূপে প্রশস্তি অংশৰ কথা ক'ব পাৰি – "ইন্দ্র বংশসৰোবৰৰ পদ্মপুষ্পৰ তুল্য হৈছে জি মহাৰাজা আৰু সকলৰে বাঞ্ছাপূৰণ কৰ্ম্মেৰে কল্পবৃক্ষ কামধেনু চিন্তামণি এইতি নিকো অৱহেলা কৰিছে জি মহাৰাজাএ।... ...নীতিবিদ্যাৰে পৰম আনন্দিত হুই বৃহস্পতিক উপালম্ভ কৰিছে জি মহাৰাজা। আৰু গম্ভীৰ ধীৰ ধার্মিক সকলৰ মধ্যত শ্রেষ্ঠতৰ সৌমাৰ পীঠৰ ঈশ্বৰ শ্রী যুক্ত শ্রীমন্ত শিৱসিংহ যি মহাৰাজা... ...সেই কাৰণে অতিসয় বিৰাজমান হৈছে জি শ্রী শ্রী অম্বিকানাম মহাদেৱী, সেই দুজনাৰ আজ্ঞাৰত্ন মালাক শিৰত ধৰি সুকুমাৰ বড়কাথে এই হস্তিবিদ্যার্ণৱ সাৰ সংগ্রহক ৰচিল।১৬৫৩ শক।" আৱশ্যে বেছিভাগ বাক্যতে সৰল অসমীয়া ভাষাৰ চানেকি ৰক্ষিত হৈছে। উদাৰণস্বৰূপে – "পাতালৰ জাতে জি হাতী আহিছে, তাৰ মুখৰূপ দেখি, গা ৰাতুল চন্দনৰ বর্ণনা হেন দেখি, নেজ মাটি লুটি যাই, মূৰ ঝোঁকাৰি থাকে, পানিপৰুৱাৰ বুলন যেন বুলন খৰ। আৰে টিপৰ কথা।" মন কৰিবলগীয়া ভাষাগত বৈশিষ্ট্যৰ ভিতৰত উল্লেখ কৰিব পাৰি – "য"ৰ ঠাইত "জ"ৰ ব্যৱহাৰ [জি], কেতিয়াবা কেতিয়াবা "জ" ৰ ঠাইত "ঝ" [ঝোঁকাৰি], দীর্ঘ মাত্রাৰ সলনি হ্রস্ব মাত্রাৰ প্রয়োগ [পানি], "ন্দ"ৰ ঠাইত "দ" [মাখুঁদি] আদি। তদানুৰূপ মোত, মই, আমি, আপুনি আদি সর্বনামৰ প্রয়োগ; খন, টো, গচা আদি নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ; ৰাজা, বুলন, ভিঠা আদি কামৰূপী উপভাষাৰ প্রয়োগো দেখিবলৈ পোৱা যায়। আনহাতে "গৈছেন", "নকৰিলাম" আদি বাংলা শব্দটো প্রয়োগ দেখা গৈছে। ইয়াৰ উপৰি বাক্যগত, ৰূপগত দিশতো আন বহু বৈশিষ্ট্য ৰক্ষিত হৈছে। সেয়া ইতিমধ্যে উল্লেখ কৰি অহা বাবে পুনৰাই আলোচনাৰ মাজলৈ অনা নগ'ল।

এই পুথিখনৰ চিত্রসমূহ দেখি মহাত্মা গান্ধী, পণ্ডিত জৱাহৰলাল নেহৰু, ডাঃ ৰাজেন্দ্র প্রসাদ আদিৰ দৰে ব্যক্তিয়েও প্রশংসা কৰিছিল। শেষত সূর্য্যকুমাৰ ভূঞাৰ ভাষাৰে ক'ব পাৰি– "হস্তিবিদ্যার্ণৱ পুথিখন এক বিশেষ ধৰণৰ চিত্রগ্রন্থ, যিয়ে অসমীয়া জাতিৰ সৃষ্টিশীলতা, শৈল্পিকতা, আৰু বৈজ্ঞানিক জ্ঞানৰ অপূর্ব নিদর্শন দাঙি ধৰে।"

এই ব্যৱহাৰিক সাহিত্য বিষয়ক গ্রন্থবোৰ প্রায় ষোড়শ শতিকাৰ পৰা অষ্টাদশ শতিকাৰ ভিতৰত ৰচিত আৰু এই ব্যৱহাৰিক সাহিত্যখিনিয়ে শংকৰদেৱৰ পৰৱর্তী সাহিত্যৰ ধাৰা হিচাপে চিহ্নিত হোৱাৰ লগতে মধ্যযুগৰ অসমীয়া গদ্য সাহিত্যৰ সুন্দৰ চানেকী বহন কৰিছে। সামগ্রিকভাৱে এই সাহিত্যৰাজিত দেখা পোৱা কেইটিমান উল্লেখযোগ্য বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল–

- ধ্বনিগত বৈশিষ্ট্য : "অ"ৰ ঠাইত "উ" – নুৱৰিয়া [নৰিয়া], "ই"ৰ ঠাইত "ঞি" – তাঞিকে [তাইকে], "শ"ৰ ঠাইত "স" – সুকুলা [শুকুলা], "ন্দ"ৰ ঠাইত "দ" – মাখুঁদি [মাখুন্দি] আদিৰ ব্যৱহাৰ।
- ৰূপতাত্ত্বিক বৈশিষ্ট্য : সাহিত্যৰ ইতিহাসকাৰসকলে উল্লেখ কৰি গৈছে যে বুৰঞ্জীৰ ভাষাৰ লগত ব্যৱহাৰিক সাহিত্যৰ ভাষা একে পৰম্পৰাতে ৰচিত। গতিকে বুৰঞ্জীৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ লগত এইবিধ সাহিত্যৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ সাদৃশ্য মন কৰিবলগীয়া। তঞি, মোত, মই, আমি, আপুনি– আদি সর্বনামৰ ৰূপ; খন, টো, টা, গচ, মহা, জোৰ আদি নির্দিষ্টতাবাচক প্রত্যয়; এতেকে, নিছিনা, কিন্তু, জদি, তথাপি

আগি অব্যয়ৰ প্রয়োগ; কৃদন্তৰূপ কৰোঁতে 'ওঁতে' প্রত্যয়ৰ ঠাইত 'ঞোতে'ৰ প্রয়োগ হয়, উদাহৰণ– জাঞোতে, খাঞোতে কৰা দেখা যায়।

- শব্দতত্ত্বিক বৈশিষ্ট্য : ব্যৱহাৰিক সাহিত্যত সংস্কৃত আৰু অনা সংস্কৃত শব্দ [যেনে– প্রভাত, তেন্তেলি, ঋতু], কামৰূপী উপভাষাৰ শব্দ [যেনে– বুলন, ৰাজা, ভিঠা], অন্যান্য দেশী [বাংলা ভাষাৰ – গৈছেন, নাকৰিলাম] আৰু বিদেশী ভাষাৰ শব্দৰ প্রয়োগ ঘটা দেখা যায়।
- বাক্যতত্ত্বিক বৈশিষ্ট : বাক্য গঠনৰ প্রণালীৰ ক্ষেত্রত অতি চুটি, সহজ-সৰল বাক্যৰ প্রয়োগ আছে। কেইটামান বাক্যৰ আৰ্হি উল্লেখ কৰা হ'ল– "পাছে ৰাজাএ প্রভাতে পণ্ডিতৰ হতোৱাএ চোৱালে।" [হস্তিবিদ্যার্ণৱ], "প্রভু কামৰূপতন্ত্র মোত কহা।" [কামৰূপতন্ত্র]।

এইদৰে বিচাৰ কৰিলে দেখা যায় যে, মধ্যযুগীয় অসমীয়া ভাষাৰ বিকাশৰ ক্ষেত্রত ব্যৱহাৰিক সাহিত্যৰাজিৰ মূল্য কোনো গুণে হীন নহয়। সাহিত্যৰ বোঁৰতি সুঁতিয়ে সাহিত্যৰ ইতিহাসলৈ পৰিৱর্তন আৰু নতুনত্ব কঢ়িয়াই আনে। অসমীয়া সাহিত্যৰ ক্ষেত্রটো একে কথা প্রযোজ্য। এই কথাৰ খেও ধৰিয়েই ক'ব পাৰি শংকৰাদেৱৰ পৰৱর্তী সময়ছোৱাক সেই টোৱে স্পর্শ কৰিলে আৰু সাহিত্যৰ ক্ষেত্রত ন ন বীজৰ অংকুৰণ ঘটিল। পৰৱর্তী সময়ছোৱাত অসমীয়া ভাষা-সাহিত্যই আধুনিকতাৰ অভিমুখে এখোজ-দুখোজ আগবঢ়োৱাত এই সমলসমূহে যথেষ্ট অৰিহণা আগবঢ়ালে।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ : হস্তিবিদ্যার্ণৱ পুথিখনৰ কাইথেলী লিপিৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

.....

প্রশ্ন নং ৮: হস্তিবিদ্যার্ণৱ পুথিখনৰ চিত্রসমূহৰ বিশেষত্ব কি ?

.....

প্রশ্ন নং ৯ : ব্যৱহাৰিক সাহিত্যৰ ভাষাগত বৈশিষ্ট্যসমূহ চমুকৈ লিখা।

.....

2 ১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ব্যৱহাৰিক সাহিত্য হৈছে প্রয়োগিক জ্ঞানসম্বলিত সাহিত্য, যি মধ্যযুগত আহোম, দৰঙী আৰু কোচ ৰজাসকলৰ পৃষ্ঠপোষকতাত বিকাশ লাভ কৰিছিল।
- সুকুমাৰ বৰকাথে শিৱসিংহ আৰু অম্বিকাদেৱীৰ আদেশত ১৭৩৪ খ্রীষ্টাব্দত হস্তিবিদ্যার্ণৱ ৰচনা কৰিছিল।

- হস্তিবিদ্যার্ণৱত হাতীৰ শ্রেণীবিভাগ, লক্ষণ, বশ কৰাৰ কৌশল, চিকিৎসা আৰু পোহ-পালনৰ নিয়ম বর্ণনা কৰা হৈছে।
- এই গ্রন্থখন অসমীয়া পুথিচিত্রৰ এক উৎকৃষ্ট নিদর্শন হিচাপে স্বীকৃত। দিলবৰ আৰু দোচাই নামৰ দুজন শিল্পীয়ে পুথিখনৰ চিত্রসমূহ অংকন কৰিছিল।
- হস্তিবিদ্যার্ণৱত সুপ্রতীক, ঐৰাৱত, পুণ্ডৰীক, বামন, কুমুদ, অঞ্জনা, পুষ্পদন্ত আৰু সার্বভৌম আদি বিভিন্ন প্রকাৰৰ হাতীৰ লক্ষণ বর্ণনা কৰা হৈছে।
- সুপ্রতীক, ঐৰাৱত আৰু পুণ্ডৰীক আদি হাতীক মঙ্গলদায়ক আৰু ৰজাৰ বাবে কল্যাণকৰ বুলি গণ্য কৰা হৈছিল।
- হাতীৰ শাৰীৰিক গঠন, দাঁত, নখ, শুৰ, নেজ, বৰণ আৰু আচৰণৰ ভিত্তিত শ্রেণীবিভাগ কৰা হৈছিল।
- হস্তিবিদ্যার্ণৱত হাতীশাল নির্মাণ, যুদ্ধত হাতীৰ ব্যৱহাৰ আৰু হাতীৰ স্বাস্থ্যৰ বিষয়েও বিশদ আলোচনা আছে।
- পুথিখনত মোগল আৰু স্থানীয় অসমীয়া চিত্রশৈলীৰ সংমিশ্রণ লক্ষ্য কৰা যায়। গ্রন্থখনৰ ভাষাত বুৰঞ্জীৰ গদ্যশৈলীৰ প্রভাৱ স্পষ্টভাৱে দেখা যায়।
- তৎসম, দেশী, কামৰূপী, বাংলা আৰু বিদেশী শব্দৰ সংমিশ্রণে ইয়াৰ ভাষাক সমৃদ্ধ কৰিছে। হস্তিবিদ্যার্ণৱে মধ্যযুগীয় অসমৰ বৈজ্ঞানিক জ্ঞান, শিল্পচেতনা আৰু সাহিত্যিক কৃতিত্বৰ পৰিচয় বহন কৰে।
- অসমীয়া গদ্য সাহিত্যৰ বিকাশত এই গ্রন্থখনে বিশেষ অৱদান আগবঢ়াইছে।

১২.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ

কটকী, প্রফুল্ল (১৯৮৮); ক্রমবিকাশত অসমীয়া কথা শৈলী; বীণা লাইব্রেৰী।

গগৈ, লীলা (২০০২); বুৰঞ্জী সাহিত্য; বনলতা।

গোস্বামী, গোলকেশ্বৰ (২০১২); গুৰু-চৰিত-কথা অধ্যয়ন আৰু বিশ্লেষণ; চন্দ্র প্রকাশ।

গোস্বামী, হেমচন্দ্র (১৮৪৫ শক); কথা-গীতা, দ্বিতীয় প্রকাশ; শ্রীশৰৎ চন্দ্র গোস্বামীৰ দ্বাৰা প্রকাশিত।

দাস, নাৰায়ণ (১৯৯৬); ভট্টদেৱঃ জীৱন আৰু সাহিত্যকৃতি ; বীণা লাইব্রেৰী।

দেৱগোস্বামী, কেশৱানন্দ (১৯৭৯); অংকমালা; গুৱাহাটীঃ বনলতা।

নেওগ, মহেশ্বৰ (১৯৮৭); অসমীয়া সাহিত্যৰ ৰূপৰেখা, সপ্তম তাঙৰণ; চন্দ্র প্রকাশ।

নেওগ, মহেশ্বৰ (সম্পাঃ) (১৯৮৭); গুৰু-চৰিত-কথা; গুৱাহাটী বিশ্ববিদ্যালয়।

নেওগ, মহেশ্বৰ (সম্পাঃ) (২০০৭); স্নাতকৰ কথাবন্ধ, দ্বাদশ সংস্কৰণ ; বিশ্ববিদ্যালয় প্রকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

নেওগ, মহেশ্বৰ (সম্পাঃ) (১৯৬৬); শ্রীভাগৱত-কথা [দ্বিতীয় আৰু তৃতীয় স্কন্ধ], দ্বিতীয় সংস্কৰণ ; লয়ার্ছ বুক ষ্টল।

নেওগ, মহেশ্বৰ (১৯৬৩); শ্রীশ্রীশংকৰদেৱ; লয়ার্চ বুক ষ্টল।

ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰেঙণি; বনলতা।

বর্মন, শিৱনাথ (সম্পা.) (১৯৯৭); অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড); আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

বৰুৱা, বিৰিঞ্চি কুমাৰ (১৮৭২ শক); অসমীয়া কথা সাহিত্য, পুৰণি ভাগ; হৰি নাৰায়ণ দত্ত বৰুৱা।

ভৰালী, বিভা (২০১৮) (মুখ্য সম্পাঃ); সাহিত্য সৌৰভ (উচ্ছতম মাধ্যমিক দ্বিতীয় বার্ষিকৰ পাঠ্যপুথি); অসম উচ্ছতৰ মাধ্যমিক শিক্ষ্যা সংসদ।

ভূঞা, যোগেন্দ্রনাৰায়ণ (সম্পাঃ); সূর্য্যকুমাৰ ভূঞাৰ বিবিধ প্রবন্ধ।

ভূঞা, সূর্য্যকুমাৰ (সম্পাঃ) (১৯৪৫); অসম বুৰঞ্জী ; অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

ভূঞা, সূর্য্যকুমাৰ (সম্পাঃ) (১৯৩২); তুংখুঙ্গীয়া বুৰঞ্জী ; অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

ভূঞা, সূর্য্যকুমাৰ (সম্পাঃ) (১৯৬৪); সাতসৰী অসম বুৰঞ্জী; গুৱাহাটী বিশ্ববিদ্যালয়।

মেধি, কালিৰাম (সম্পাঃ) (১৯৫০); অংকাৱলী; গুৱাহাটী।

লেখাৰু, উপেন্দ্র চন্দ্র (সম্পাঃ) (১৯৫২); কথা-গুৰুচৰিত; দত্ত বৰুৱা এণ্ড কোম্পানী।

শর্মা, গোবিন্দ প্রসাদ (১৯৯৩); জীৱনী আৰু অসমীয়া জীৱনী; ষ্টুডেণ্টচ্ ষ্ট'ৰচ।

শর্মা, তীর্থনাথ (১৯৭৫); আউনিআটী সত্রৰ বুৰঞ্জী; আউনিআটী সত্র।

শর্মা, সত্যেন্দ্রনাথ (১৯৮৪); অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, দ্বিতীয় সংস্কৰণ; সৌমাৰ প্রকাশ।

শর্মা, সত্যেন্দ্রনাথ (১৯৬৫); অসমীয়া নাট্য-সাহিত্য, দ্বিতীয় প্রকাশ; নিউ বুক ষ্টল।

শর্মা, সত্যেন্দ্রনাথ (১৯৯৬) (সম্পাঃ); ভট্টদেৱৰ কথা-গীতা, দ্বিতীয় প্রকাশ; লয়ার্ছ বুক ষ্টল।

শর্মা, হেমন্ত কুমাৰ (২০০৭); অসমীয়া সাহিত্যত দৃষ্টিপাত; বীণা লাইব্রেৰী।

শর্মা দলৈ, হৰিনাথ (১৯৯২); অসমীয়া গদ্য-সাহিত্যৰ গতিপথ; পদ্মপ্রিয়া লাইব্রেৰী।

ইংৰাজী গ্রন্থ

Bhuyan, S.K. (1956). Studies in the Literature of Assam. Lawyers Book Stall.

Choudhury. P.C. (1976). (ed.). Hastividyarnava. Publication Board, Assam.

Kakati, B. (1959). Aspects of Early Assamese Literature. Gauhati University.

Kakati, B. (1941). Assamese: Its Formation and Development. Government of Assam in the Department of Historical and Antiquarian Studies.

Griersen, Sir G.A. (1963): Linguistic Survey of India, Vol-দ্দ (Part-I) Reprint. Motilal Banarsi Dass.

K ১২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ : সুকুমাৰ বৰকাথে ১৭৩৪ খ্রীষ্টাব্দত ৰজা শিৱসিংহ আৰু ৰাণী অম্বিকাদেৱীৰ আদেশত হস্তিবিদ্যাৰ্ণৱ গ্রন্থখন ৰচনা কৰিছিল।

২ নং প্রশ্নৰ উত্তৰ : হাতীৰ বিভিন্ন শ্রেণীবিভাগ, প্রকৃতি, হাতীক বশ কৰাৰ কৌশল আৰু হাতীৰ বেমাৰৰ চিকিৎসা পদ্ধতি আদি হস্তিবিদ্যার্ণৱ গ্রন্থখনৰ মূল বিষয়বস্তু।

৩ নং প্রশ্নৰ উত্তৰ : মধ্যযুগত অসমীয়া ভাষাত ৰচিত প্রায়োগিক জ্ঞানসম্বলিত সাহিত্যসমূহক ব্যৱহাৰিক সাহিত্য বুলি কোৱা হয়।

৪ নং প্রশ্নৰ উত্তৰ : ঐৰাৱত হাতীৰ গাৰ ৰৱণ কর্পূৰৰ দৰে বগা, দাঁত চাৰিটা সমান আৰু ৰঙচুৱা। ইয়াৰ ভৰি চাৰিটা সমান আৰু স্থূল, নেজ দীঘল আৰু পোন। এই হাতী লাভ কৰিলে ৰজাৰ ঐশ্বর্য বৃদ্ধি পায় আৰু ইয়াক চতুৰতাৰে বশ কৰিব পাৰি।

৫ নং প্রশ্নৰ উত্তৰ : বামন প্রজাতিৰ হাতীৰ উচ্চতা পাঁচ হাত, গাৰ ৰৱণ ক'লা আৰু দাঁতবোৰ সমান আকাৰৰ হয়। ইহঁত শক্তিশালী, গম্ভীৰ, অহংকাৰী আৰু দ্রুতগামী। সঠিক নির্দেশনা দিলেহে এই হাতীক বশ কৰিব পাৰি।

৬ নং প্রশ্নৰ উত্তৰ : এই পুথিখনত বুৰঞ্জীৰ গদ্যৰ প্রভাৱ দেখা যায়। ইয়াত "শ"ৰ ঠাইত "ষ", "শুৰ"ৰ ঠাইত "সুঁঢ়" আৰু "ৰ"ৰ ঠাইত "ঢ়" বা "ড়"ৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। তৎসম শব্দৰ প্রয়োগো যথেষ্ট সুলভ।

৭ নং প্রশ্নৰ উত্তৰ : কাইথেলী লিপিত আখৰবোৰ মুকুতাৰ দৰে ফটফটীয়া আৰু স্পষ্ট হয়। শাৰীবোৰ সমান সমানভাৱে লিখা হয় আৰু আখৰৰ কোণবোৰো স্পষ্টকৈ দেখা যায়।

৮ নং প্রশ্নৰ উত্তৰ : এই পুথিৰ চিত্রসমূহত মোগল আৰু স্থানীয় অসমীয়া শৈলীৰ সংমিশ্রণ দেখা যায়। হাতীৰ লগতে ৰজা-ৰাণী, ৰাজসভা, প্রজা আৰু বিভিন্ন জীৱ-জন্তুৰ ছবিও অংকিত কৰা হৈছে। এই চিত্রসমূহে তদানীন্তন অসমৰ সমাজ-সংস্কৃতিৰ আভাস দিয়ে।

৯ নং প্রশ্নৰ উত্তৰ : ব্যৱহাৰিক সাহিত্যত ধ্বনিগত, ৰূপতাত্ত্বিক, শব্দতত্ত্বিক আৰু বাক্যতত্ত্বিক বিশেষত্ব দেখা যায়। ইয়াত সংস্কৃত, কামৰূপী, বাংলা আদি ভাষাৰ শব্দৰ প্রয়োগ আছে। বাক্যসমূহ সাধাৰণতে চুটি, সহজ আৰু সৰল ধৰণৰ।

M ১২.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ : তলত দিয়া প্রসমূহৰ উত্তৰ লিখক

ক) *হস্তিবিদ্যার্ণৱ* গ্রন্থখন কোনে ৰচনা কৰিছিল ?

খ) *হস্তিবিদ্যার্ণৱ* কেতিয়া ৰচনা কৰা হৈছিল ?

গ) *হস্তিবিদ্যার্ণৱ* কোন দুজনৰ আদেশত ৰচনা কৰা হৈছিল ?

ঘ) *হস্তিবিদ্যার্ণৱৰ* চিত্রসমূহ কোন দুজন শিল্পীয়ে অংকন কৰিছিল ?

ঙ) কোনটো হাতী প্রজাতিক ৰজাৰ ঐশ্বর্য বৃদ্ধি কৰা বুলি কোৱা হৈছে ?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ : ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজা ?

প্ৰশ্ন ২ : *হস্তিবিদ্যার্ণৱ* গ্ৰন্থখনৰ মূল বিষয়বস্তু কি ?

প্ৰশ্ন ৩ : সুপ্ৰতীক হাতীৰ দুটা বৈশিষ্ট্য লিখা।

প্ৰশ্ন ৪ : বামন প্ৰজাতিৰ হাতীৰ বৈশিষ্ট্যসমূহ কি ?

প্ৰশ্ন ৫ : *হস্তিবিদ্যার্ণৱ* পুথিখনৰ চিত্ৰসমূহৰ দুটা বিশেষত্ব উল্লেখ কৰা।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : অসমীয়া ব্যৱহাৰিক সাহিত্যৰ উৎপত্তি, বিকাশ আৰু বৈশিষ্ট্যসমূহ আলোচনা কৰা।

প্ৰশ্ন ২ : *হস্তিবিদ্যার্ণৱ* পুথিখনৰ সাধাৰণ পৰিচয় দিয়া।

প্ৰশ্ন ৩ : *হস্তিবিদ্যার্ণৱত* বৰ্ণিত বিভিন্ন প্ৰকাৰৰ হাতীৰ লক্ষণসমূহ আলোচনা কৰা।

প্ৰশ্ন ৪ : *হস্তিবিদ্যার্ণৱ* পুথিখনৰ গদ্যশৈলী আৰু ভাষাগত বৈশিষ্ট্যসমূহ বৰ্ণনা কৰা।

প্ৰশ্ন ৫ : মধ্যযুগীয় অসমৰ বৈজ্ঞানিক জ্ঞান, শিল্পচেতনা আৰু সাহিত্যিক কৃতিত্বৰ নিদৰ্শন হিচাপে হস্তিবিদ্যার্ণৱৰ মূল্যায়ন কৰা।